...ues of Life) :

## ষোল্ল সংস্কাৰৰ বিশেষ সন্দৰ্ভত ভাৰতীয় জীৱনশৈলীৰ সামাজিক প্ৰাসংগিকতা (Social Relevance of Indian Life Style with Special Reference to Sixteen *Saṁskāras*) :

সমপূৰ্বক 'কৃঙ্' ধাতুৰ লগত 'ঘঞ্' প্ৰত্যয় যোগ হৈ সংস্কাৰ শব্দ নিষ্পন্ন হয়। ভাৰতীয় সমাজত মানুহৰ সমগ্ৰ জীৱনকালত জন্মৰ পৰা মৃত্যু পৰ্যন্ত সময়ে সময়ে

এই সংস্কাৰসমূহ সম্পাদন কৰা হয়। বিশেষকৈ গৃহস্থাশ্ৰমত সংস্কাৰৰ এক বিশেষ মহত্ব আছে। সংস্কাৰসমূহ কেৱল মাত্ৰ কৰ্মকাণ্ডই নহয়, এইসমূহে মানুহৰ সম্পূৰ্ণ শাৰীৰিক, মানসিক, মনোবৈজ্ঞানিক, চাৰিত্ৰিক আৰু সাংস্কৃতিক বিকাশৰ সৈতে সম্বন্ধযুক্ত। গৌতম ধৰ্মসূত্ৰত ৪০ প্ৰকাৰৰ সংস্কাৰৰ উল্লেখ আছে। কিন্তু ভাৰতীয় সংস্কৃতিত জনপ্ৰিয় ৰূপত যোল্ল সংস্কাৰৰ উল্লেখ পোৱা যায়। সেইসমূহ হ'ল — গৰ্ভধান, পুংসৱন, সীমান্তোন্নয়ন, জাতকৰ্ম, নামকৰণ, নিষ্ক্ৰমণ, অন্নপ্ৰসন্ন, চূড়াকৰণ, কৰ্ণবেধ, বিদ্যাৰম্ভ, উপনয়ন, বেদাৰম্ভ, সমাৱৰ্তন, কেশান্ত, বিবাহ আৰু অন্ত্যেষ্টি। যোল্ল সংস্কাৰৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

**১। গৰ্ভধান সংস্কাৰ ঃ**

গৰ্ভাধানৰ অৰ্থ হ'ল — গৰ্ভৰ আধান অৰ্থাৎ গৰ্ভ স্থাপন কৰা। বিবাহৰ পিছত সন্তান কামনা কৰি যি কৰ্মৰ দ্বাৰা গৰ্ভ ধাৰণ কৰা হয়, তাকে গৰ্ভধান বোলে — "गर्भ: संधार्यते येन कर्मणा तद् गर्भधानमित्यनुगतार्थ कर्मनामधेयम्।" গৰ্ভধান সংস্কাৰত কোনো ব্যক্তিৰ পৃথিৱীত আগমণ কেনেদৰে হ'ব লাগে, সেই ব্যক্তিৰ স্বাস্থ্য, স্বভাৱ আৰু বৌদ্ধিক ক্ষমতা কিদৰে সুদৃঢ় হ'ব, সেই সম্পৰ্কত বৈদিক ঋষি, মহৰ্ষিসকলৰ দ্বাৰা কৰা চিন্তন প্ৰতিফলিত হয়। সংস্কাৰী পিতৃ-মাতৃৰ বিশুদ্ধ বীৰ্য আৰু ৰজৰ দ্বাৰাহে সংস্কাৰযুক্ত সন্তানৰ জন্ম হয় — এই তথ্যটি পূৰ্বজসকলে ভালদৰে অনুধাৱন কৰিছিল। সেয়েহে সংস্কাৰৰ আৰম্ভণি গৰ্ভধানৰ পৰায়ে হয়। পুৰুষ আৰু স্ত্ৰীৰ ৰজোবীৰ্যৰ মিথুনভাবৰ জৰিয়তে গৰ্ভধান হয়। কিন্তু বিভিন্ন সময়ত বিভিন্ন দোষৰ বাবে গৰ্ভাৱস্থাত শিশুৰ দেহত বা মনত বিকাৰ ঘটে। এই বিকাৰসমূহৰ পৰিমাৰ্জনৰ বাবে গৰ্ভধান সংস্কাৰৰ বিধান কৰা হয়।

শাস্ত্ৰকাৰসকলে ৰজক ক্ষেত্ৰ আৰু শুক্ৰক বীজ বুলি স্বীকাৰ কৰিছে। সন্তানৰ উৎপত্তিৰ বাবে এই দুয়োটাই অত্যাৱশ্যকীয়। শৌনকৰ মতে যি কৰ্ম সম্পাদনত স্ত্ৰীয়ে স্বামীৰ দ্বাৰা প্ৰদত্ত শুক্ৰ ধাৰণ কৰে, তাকে গৰ্ভালম্বন বোলা হয়। পৰাশৰৰ মতে স্ত্ৰীৰ ঋতুকালৰ সময়ত যদি পুৰুষে সমাগম নকৰে, তেতিয়া পুৰুষ ভ্ৰূণহত্যাৰ অংশীদাৰ হয়।

"ऋतुस्नातां तु यो भार्या सन्निधौ नोपगच्छति।
घोरायां भ्रूणहत्यायं पच्यते नात्र संशय:।।"

(পৰাশৰস্মৃতি, ৪.১৫)

সেয়েহে গৰ্ভধানক 'ঋতুগমন' বুলিও কোৱা হয়। পুত্ৰৰ বাবে সমৰাত্ৰি আৰু

পুত্ৰীৰ বাবে বিষম ৰাত্ৰি গৰ্ভধান কৰিব লাগে। এই সম্পৰ্কে মনুস্মৃতিত এনেদৰে কোৱা হৈছে —

युग्मासु पुत्रा जायन्ते, स्त्रियो युग्मासु रात्रिषु।
तस्मात् युग्मासु पुत्रार्थी संविशेदार्त्तवे स्त्रियाम्।।

(মনুস্মৃতি, ৩.৪৮)

ইয়াৰ উপৰি পতি-পত্নীয়ে গৰ্ভধান সংস্কাৰৰ সময়ত নিত্যকৰ্মানুষ্ঠান, দেৱৰ্ষি পিতৃ তৰ্পণ, অতিথি সৎকাৰ আদি কাৰ্যসমূহ কৰিব লাগে।

**২। পুংসৱন সংস্কাৰ ঃ**

গৰ্ভধাৰণ নিশ্চিত হোৱাৰ পিছত পুংসৱন সংস্কাৰ কৰা হয়। পুং-পুমান্ অৰ্থাৎ পুৰুষৰ জন্ম যিটো সংস্কাৰেৰে সাধন হয় সেয়াই হ'ল পুংসৱন সংস্কাৰ —

"पुंसवनमिति कर्मनामधेयं येन कर्मण निमित्तेन
गर्भिणी पुंसामेव सूते तत्पुंसवनम्।"

(আশ্বলায়ণগৃহ্যসূত্ৰ - ১৪.৯)

যাজ্ঞবল্ক্যস্মৃতিত পুংসৱন সংস্কাৰটোক পুত্ৰ প্ৰাপ্তিৰ বাবে কৰা যজ্ঞ বুলি কৈছে — "गर्भाधानमृतौ पुंसः सवनम् स्पन्दनात्पुरा।" (যাজ্ঞবল্ক্যস্মৃতি, ১.১১)। এই সংস্কাৰত গৰ্ভস্থ ভ্ৰূণৰ পোষণ আৰু বৃদ্ধিৰ বাবে মন্ত্ৰোচ্চাৰণৰ লগতে বট, শুংগ, কুশ আৰু দুৰ্বা আদিৰ ৰস সন্তানসম্ভৱা মাতৃৰ সোঁফালৰ নাকৰ ৰন্ধ্ৰকৰ দ্বাৰা প্ৰৱেশ কৰোৱা হয়। এই সংস্কাৰত বিনিয়োগ কৰা দ্ৰব্য গ্ৰহণৰ সময়ত পতিয়ে পত্নীক তিনিবাৰ কি খাইছা বুলি প্ৰশ্ন কৰে — "किं पिबसि किं पिबसीति पृष्ट्वा पुंसवनं पुंसवनमिति त्रिः प्रयोजनीयात्।" (আপস্তম্বগৃহ্যসূত্ৰ, ৩.১.১৩) আৰু পত্নীয়ে পুংসৱন বুলি উত্তৰ দিয়ে।

মনোবৈজ্ঞানিক দিশৰ পৰা গৰ্ভকালীন অৱস্থাত সন্তানসম্ভৱা মাতৃৰ মানসিক স্থিতিয়ে সন্তানৰ মন-মস্তিষ্কত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। এক উৎকৃষ্ট উদাহৰণ হ'ল মহাভাৰতত অভিমন্যুৰ গৰ্ভাৱস্থাতেই চক্ৰব্যুহ ভেদনৰ জ্ঞান লাভ কৰা আৰু অৰ্জুনৰ দ্বাৰা সুভদ্ৰাৰ সুষুপ্তাৱস্থা হোৱা বাবে সমাপ্তকালিক যুদ্ধবিদ্যাৰ জ্ঞান নোহোৱা। সেয়েহে মৎস্যপুৰাণ আদিয়ে সন্তানসম্ভৱা স্ত্ৰীৰ আচৰণ সম্পৰ্কে উল্লেখ কৰি কৈছে যে সন্তানসম্ভৱা স্ত্ৰী সদায় প্ৰসন্ন, শুভকৰ্মত ৰত আৰু ভাল কথা চিন্তা কৰিব লাগে।

**৩। সীমান্তোন্নয়ন সংস্কাৰ ঃ**

গৰ্ভাধনৰ চতুৰ্থ, ষষ্ঠ আৰু অষ্টম মাহত এই সংস্কাৰ কাৰ্য অনুষ্ঠিত কৰা। এই সংস্কাৰৰ উদ্দেশ্য হ'ল গৰ্ভপাত নিৰোধ কৰা। শৰীৰ সম্পৰ্কীয় শাস্ত্ৰত উল্লেখ কৰা অনুসৰি এই তিনিমাহত গৰ্ভভ্ৰংশৰ আশংকা থাকে। এই সংস্কাৰ কাৰ্যত পতিয়ে পত্নীৰ কেশ অৰ্থাৎ চুলিক বিভাজিত কৰে। এই সংস্কাৰ কাৰ্য ভূ, ভূৰ আৰু স্ব — এই তিনি লোকৰ ব্যাপক ভাৱনাৰে উদ্ভুত হৈ স্বামীয়ে পত্নীৰ কেশক ওপৰৰ ফালে সজাই দিয়ে ''सीमन्तः उन्नीयते यस्मिन् कर्मणि तत् सीमन्तोन्नयनमिति कर्मनामधेयम्।'' যাতে শিশুৱে মাকৰ চুলিৰ অনুৰূপ বৰ্ষ অতিক্ৰমি মগংলময় জীৱন যাপন কৰে। উডুম্বৰ নামৰ বৃক্ষৰ এটি শাখা এই সংস্কাৰ বিধি অনুযায়ী সন্তানসম্ভৱা মাতৃৰ ডিঙিত বান্ধি দিয়া হয়। উডুম্বৰ বৃক্ষত নিহিত গুণৰ সংস্পৰ্শৰ দ্বাৰা কিছুমান এনে ৰাসায়নিক পদাৰ্থৰ উৎপত্তি হয় যাৰ বাবে মাতৃ আৰু শিশুৰ স্বাস্থ্য ৰোগমুক্ত হয় বুলি বিশ্বাস কৰা হয়।

''अयमूर्जावतो वृक्ष उर्जीव फलिनी भव।''

''तदुयैषु वनस्पत्तिषुर्ग्यो रस आसीद उदुम्बरे नमदधुः।''

(শতপতব্ৰাহ্মণ)

এই সংস্কাৰ বিধিত পতিয়ে পত্নীক চাউল, তিল আৰু ঘিউ দেখুৱাৰ নিয়ম আছে। চাউলক সন্তুষ্টি বা পৰিতৃপ্তি, তিলক স্নেহ আৰু ঘিউক শক্তি তথা সামৰ্থৰ প্ৰতীক বুলি স্বীকাৰ কৰা হয়।

সন্তানসম্ভৱা স্ত্ৰীৰ মনোকামনা পূৰ্ণ কৰাটোও এই সংস্কাৰৰেই অন্তৰ্ভুক্ত। অন্তঃসত্বা নাৰীৰ অভীষ্টৰ পূৰ্তিয়ে তেওঁৰ মনত ভাল প্ৰভাৱ পেলাই যিটো শিশুৰ মানসিক বৃদ্ধিৰ বাবে অৱশ্যাম্ভৱী।

**৪। জাতকৰ্ম সংস্কাৰ ঃ**

উক্ত তিনি সংস্কাৰ জন্মাৱস্থাৰ পূৰ্ব সংস্কাৰ, কিন্তু জাতকৰ্ম হ'ল শিশু এটি জন্ম লোৱাৰ লগে লগে কৰা সংস্কাৰ। জাতকৰ্ম শব্দটিয়ে সূচনা কৰে যে যাৰ জন্ম হৈছে তাৰ লগত সমন্বিত সংস্কাৰ। জাতকৰ্ম সংস্কাৰ সাধন কৰিবলৈ গোভিলগৃহ্যসূত্ৰ অনুসৰি শিশুটোৰ জন্মৰ লগে লগে মাতৃৰ লগত সংলগ্ন হৈ থকা নাড়ীচ্ছেদ কৰিব লাগে আৰু স্তন পান কৰাই প্ৰতিপালন কৰিব লাগে।

''... काञ्चन नाभिकृन्तनेन स्तनप्रतिधानेन चेति।''

(গোভিলগৃহ্যসূত্ৰ, ২.৭.১৭)

এই কাৰ্যত জাতকৰ পিতৃ আৰু মাতৃৰ দ্বাৰা শ্ৰুতি তথা স্মৃতিসন্মত বিধিৰ নিষ্পাদন কৰা হয়। বিশ্বাস কৰা হয় যে জাতকৰ্ম সম্পাদন কৰিলে জাতক পবিত্ৰ, গৌৰৱপূৰ্ণ আৰু ধন ধান্যযুক্ত হয়। উক্ত সংস্কাৰত পোন প্ৰথমে পিতৃয়ে সমাজক সন্তান জন্ম হোৱাৰ খবৰ দিয়ে আৰু তাৰ পিছত দৈ আৰু ঘিৰে হোম সম্পাদন কৰে, জাতকৰ সোঁকাণত বাক্ শব্দৰ তিনিবাৰ উচ্চাৰণ কৰে, সোণৰ চামুচেৰে জাতকক দৈ, মৌ আদি খুৱায়, জাতকক গুপ্তনাম দিয়ে আৰু মাতৃক মন্ত্ৰৰ দ্বাৰা সম্বোধিত কৰে। এই সম্পৰ্কে আশ্বলায়ণগৃহ্যসূত্ৰত এনেদৰে পোৱা যায় —

"कुमारं जातं पुरान्यैरालभ्यात् सर्पिर्मधुनी हिरण्यनिकापं हिरण्येन प्राशयेत्।
................ कर्णयोरूपनिधाय मेधाजननं जपति।................."

**৫। নামকৰণ সংস্কাৰ ঃ**

নামকৰণ সংস্কাৰ মানুহৰ জীৱন্ত অৱস্থাৰ লগত জড়িত হোৱাৰ উপৰি মৰণোত্তৰভাৱেও সংযুক্ত হৈ থাকে। নামকৰণ সংস্কাৰত এবাৰ যিটো নামেৰে জাতকৰ নামকৰণ কৰা হয়, সেই নামটো চিৰদিনৰ বাবে ব্যক্তিজনৰ লগত সংযুক্ত হৈ পৰে। সেয়েহে বৃহদাৰণ্যকোপনিষদত এনেদৰে কোৱা হৈছে —

"यत्रायं पुरुषो म्रियते किमेतं न जहातीति।
नामत्येनन्तं वै नामनन्ता विश्वेदेवा अनन्तमेव स तेन लोकं जयति।"

(বৃহদাৰণ্যকোপনিষদ, ৩.২.১২)

মনুস্মৃতি অনুসৰি ব্ৰাহ্মণৰ নাম শান্তি সূচক, ক্ষত্ৰিয়ৰ নাম ৰক্ষাসূচক, বৈশ্যৰ নাম পুষ্টিসূচক, শূদ্ৰৰ নাম বিনয়ী ভাবসম্পন্ন, আৰু স্ত্ৰীসকলৰ নাম সৰল, স্পষ্ট, মনোহৰ, মাংগলিক, দীৰ্ঘবৰ্ণান্ত আৰু আশীৰ্বাদসূচক হ'ব লাগে।

"शर्मवद् ब्राह्मणस्य स्याद् राज्ञो रक्षासमन्वितम्।
वैशास्य पुष्टिसंयुक्तं शूद्रस्य प्रेष्यसंयुतम्।।
स्त्रीणां सुखौद्यमक्रुरं विस्पष्टार्थं मनोहरम्।
मङ्गल्यं दीर्घवर्णान्तिमाशीर्वादाभिधानवत्।।"

(মনুস্মৃতি, ২.৩২-৩৩)

কোনো শুভ দিনত এই সংস্কাৰ অনুষ্ঠিত কৰি পূজন আৰু যজ্ঞাহুতি প্ৰদান কৰা হয়। 'সংস্কাৰ প্ৰকাশ' নামৰ গ্ৰন্থত চাৰি প্ৰকাৰৰ নামৰ উল্লেখ কৰা হৈছে — (ক) দেৱতা নাম (খ) মাস নাম (গ) ব্যৱহাৰিক নাম (ঘ) নক্ষত্ৰ নাম।

**৬। নিষ্ক্ৰমণ সংস্কাৰ ঃ**

নিষ্ক্ৰমণৰ অৰ্থ হ'ল বহিৰ্গমন, অৰ্থাৎ এই সংস্কাৰত শিশুটিক সূৰ্যৰ পোহৰ গাত লগাবলৈ বাহিৰলৈ উলিয়াই নিয়া হয়। শিশুটিৰ সৰ্বাংগীন বিকাশৰ বাবে স্বচ্ছ প্ৰাকৃতিক বায়ু আৰু সূৰ্যৰ পোহৰৰ প্ৰয়োজন। পাৰস্কৰগৃহ্যসূত্ৰ অনুসৰি এই সংস্কাৰ শিশুটিৰ চাৰি মাহত সম্পন্ন কৰিব লাগে।

"চতুর্থে মাসি নিষ্ক্রমণিকা সূর্যমুদীক্ষযতি তচ্চক্ষুরিতি।"

(পাৰস্কৰগৃহ্যসূত্ৰ, ১.১৭)

এই সংস্কাৰ বিধি সম্পৰ্কে প্ৰচলিত বিধিসমূহ হ'ল — শিশুক ঘৰৰ বাহিৰলৈ অনা, শিশুক প্ৰথমবাৰৰ বাবে সূৰ্যৰ দৰ্শন কৰোৱা, বৈদিক মন্ত্ৰ উচ্চাৰণ কৰা, ব্ৰাহ্মণৰ ভোজনৰ আয়োজন কৰা আদি। এই বিধিসমূহ সূক্ষ্মদৃষ্টিৰে চালে কিছুমান নিগূঢ়তম তত্ত্ব সন্নিৱিষ্ট হৈ থকা দেখা যায়। শুভ মুহূৰ্তৰ এক নিশ্চিত সময়ত পিতৃৰ দ্বাৰা সূৰ্যৰ সন্মুখত সন্তানক থিয় কৰায় অনাগত জীৱন "তমসো মা জ্যোতির্গময়" আদৰ্শেৰে মণ্ডিত হওক বুলি প্ৰাৰ্থনা কৰা হয়। ইয়াৰ দ্বাৰা সূৰ্য্যসম প্ৰতিভা, পৰাক্ৰম তথা অনবৰত গতিৰ শক্তি শিশুলৈ আগমন হয় বুলি জনবিশ্বাস আছে। এই সম্পৰ্কে বৃহস্পতিস্মৃতিত কোৱা হৈছে —

"জীবভার্গবসৌম্যানাং শিশুনিষ্ক্রমণক্রিযা।
দিবসে শস্যতে নিত্যমাযুর্বৃদ্ধিধনপ্রদা।।"

বিজ্ঞানসন্মত দৃষ্টিৰ ফালৰ পৰাও সূৰ্যৰ পোহৰ যিকোনো পদাৰ্থৰ সজীৱতাৰ বাবে অত্যাৱশ্যকীয়। নিষ্ক্ৰমণ সংস্কাৰৰ অন্যতম বিধান হ'ল বেদৰ মন্ত্ৰোচ্চাৰণ। বেদমন্ত্ৰৰ বৰ্ণৰ সংযোজন, ধ্বনি তথা অভিব্যঞ্জনা সামান্য লৌকিক বাক্যৰ পৰা পৃথক যাৰ বাবে বেদমন্ত্ৰৰ মনোবৈজ্ঞানিক চিকিৎসাশাস্ত্ৰীয় আৰু দৰ্শনগত মহত্বও আছে।

**৭। অন্নপ্ৰসন্ন সংস্কাৰ ঃ**

শিশুৰ জন্মৰ ছয়মাহ পৰ্যন্ত কেৱল জল আৰু দুগ্ধ পান কৰোৱা হয়। তাৰ পৰৱৰ্তী সময়তহে নক্ষত্ৰাদিৰ শুভমুহূৰ্ত গণনা কৰি অন্নপ্ৰসন্ন সম্পন্ন কৰা হয়। বিশেষকৈ ছয় মাহতেই শিশুৰ অন্নপ্ৰসন্ন সম্পন্ন হ'ব লাগে বুলি শাস্ত্ৰত কোৱা হৈছে—

"ষষ্ঠেঽন্নপ্রাশনং মাসি ..............।"

(মনুস্মৃতি, ২.৩৪)

শিশুটোৰ শাৰীৰিক বিকাশৰ বাবে মাতৃ দুগ্ধৰ লগতে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজনীয়তা আহি পৰে, সেয়েহে অন্নপ্ৰসন্ন সংস্কাৰ যথা সময়ত সম্পন্ন কৰাটো অপৰিহাৰ্য। ছয়মাহৰ পিছত শিশুৰ পাচনতন্ত্ৰ কিছু মজবুত হৈ অধিক ক্ৰিয়াশীল হয় বাবে সুপাচ্য অন্নক হজম কৰাৰ ক্ষমতা বৃদ্ধি হয়।

"षण्मासञ्चैतमन्तं प्राशयेल्लघु हितञ्च।"

(শৰীৰস্থান, ১০,৬৪)

এই সংস্কাৰত শিশুটোক অন্নত দৈ, মৌ, ঘিউ মিশ্ৰিত অন্ন খুওৱা হয়, যাৰ বাবে শিশুৰ ভোজনৰ পিছত উৎপন্ন হোৱা পাচনসমস্যা দূৰ হয়। আয়ুৰ্বেদ শাস্ত্ৰসমূহত সততে দৈ, মৌ, ঘি আদিক বেমাৰ নিবাৰণ কৰা কাৰক হিচাপে উল্লেখ কৰা আছে।

**৮। চূড়াকৰণ সংস্কাৰ ঃ**

ধৰ্মশাস্ত্ৰ অনুসৰি শিশুৰ চূড়াকৰণ সংস্কাৰ প্ৰথম বা তৃতীয় বৰ্ষত সম্পন্ন কৰিব লাগে।

"चूडाकर्म द्विजातीनां सर्वेषामेव धर्मतः।
प्रथमेऽब्दे तृतीये वा कर्तव्यं श्रुतिचोदनात्।।"

(মনুস্মৃতি, ২.৩৫)

ইয়াক মুণ্ডনকৰ্ম বুলিও কোৱা হয়। এই সংস্কাৰত শিশুটিক মাতৃয়ে কোলাত তুলি লয় আৰু কাষত পিতৃ আৰু পুৰোহিত থাকে। সেই সময়ছোৱাতেই নাপিতৰ দ্বাৰা শিশুটিৰ কেশকৰ্ত্তন কৰা হয়। চুলিৰ এক অংশ পবিত্ৰ ঠাইত এৰি দিয়া হয়। গোটেইখিনি চুলি কাটি চুলিৰ এক অংশ শিখাৰ ৰূপত ৰাখি দিয়ে, যাৰ সম্বন্ধ মস্তিষ্কত বিদ্যমান জ্ঞানস্থলৰ লগত থাকে। পাৰস্কৰগৃহ্যসূত্ৰ অনুসৰি চূড়াকৰণে শিশুটিক দীৰ্ঘায়ু আৰু কল্যাণময় জীৱন প্ৰদান কৰে। চৰকসংহিতাৰ মতে মুণ্ডন হ'ল পুষ্টিবৰ্ধক, বৃষ্যতা অৰ্থাৎ বীৰ্য আৰু বলবৰ্ধক, আয়ুবৰ্ধক, স্বচ্ছতা আৰু সৌন্দৰ্যবৰ্ধক।

"पौष्टिकं वृष्यमायुष्य शुचिरूपं विराजनम्।
केशश्मश्रुनखादीनां कर्तनं सम्प्रसाधनम्।।"

(চৰকসংহিতা, সূত্ৰস্থান, ৫.৯৩)

এই সংস্কাৰৰ আধ্যাত্মিক আৰু ভৌতিক গুৰুত্বও আছে।

**৯। কৰ্ণবেধ সংস্কাৰ ঃ**

এই সংস্কাৰত শিশুৰ কোমল কাণত সূচিকা অৰ্থাৎ বেজিৰে ছিদ্ৰ কৰা হয়।

কৰ্ণবেধ সংস্কাৰ শিশুটোৰ জন্মৰ প্ৰথম বৰ্ষৰ পৰা অষ্টম বৰ্ষ পৰ্যন্ত সম্পন্ন কৰিব লাগে। কিছুমান ধাৰ্মিক কাৰ্য সম্পাদনৰ দ্বাৰা কৰ্ণবেধ সংস্কাৰ সম্পন্ন কৰা হয়। উক্ত সংস্কাৰত শিশুটোৰ কাণ সোণ, ৰূপ, লোহ, তাম আদি ধাতুৰে ছিদ্ৰ কৰা হয়। শল্যতন্ত্ৰ বিশেষজ্ঞ সুশ্ৰুতে এই কৰ্ম কোনো কুশল ভিষগৰদ্বাৰা কৰিবলৈ পৰামৰ্শ দিয়ে — "ভিষক্ বামহস্তেনাকৃষ্য কৰ্ণ দৈবকৃতে ছিদ্ৰে আদিত্যকৰাব ভাসিতে শনৈঃ শনৈঃ ঋজুঃ বিধ্যেত্।"

**১০। বিদ্যাৰম্ভ সংস্কাৰ ঃ**

বিশ্বৰ প্ৰাণীসমূহৰ ভিতৰত মানৱ জাতিৰ স্থান সৰ্বশ্ৰেষ্ঠ হোৱাৰ কাৰণেই হ'ল বিদ্যা। সেইবাবে ভাৰতৰ অনুপম সংস্কৃতিৰ ভিতৰত বিদ্যাৰম্ভ সংস্কাৰে মহত্বপূৰ্ণ স্থান দখল কৰি আছে। শিশুৰ পাঁচ বছৰ পিছত অধ্যয়নৰ বাবে মানসিকভাৱে পূৰ্ণাংগ হ'লে বিদ্যাৰম্ভ সংস্কাৰ অনুষ্ঠিত কৰা হয়।

"প্ৰাপ্তে তু পঞ্চমে বৰ্ষে হ্যপ্ৰসুপ্তে জনাৰ্দনে।
........... বিদ্যাৰম্ভন্তু কাৰয়েত্।।"

বিদ্যাৰম্ভ সংস্কাৰৰ অক্ষৰাৰম্ভত দেৱ-দেৱীৰ স্তুতি কৰা হয়। অক্ষৰাৰম্ভ সংস্কাৰত বিষ্ণু, লক্ষী আৰু সৰস্বতী দেৱীৰ পূজা প্ৰমুখৰূপত কৰা হয়। লক্ষ্মীদেৱীক প্ৰেয়সমাৰ্গ, সৰস্বতী দেৱীক শ্ৰেয়সমাৰ্গৰ আৰু বিষ্ণুক উভয়মাৰ্গৰ বিলক্ষণ সমন্বয় স্থাপিত কৰাৰ বাবে সমন্বয়ক ৰূপত আৰাধনা কৰা হয়। এই সংস্কাৰত শিশুৰ হাতত ধৰি অক্ষৰাৰম্ভ কৰিবৰ বাবে মাটিত লিখাই বিদ্যাৰম্ভ কৰোৱা হয়।

**১১। উপনয়ন সংস্কাৰ ঃ**

বিদ্যাৰম্ভ সংস্কাৰৰ জৰিয়তে শিশুৰ জীৱনযাত্ৰাত জ্ঞান অৰ্জন আৰম্ভ হয় আৰু উপনয়নৰ জৰিয়তে তাৰ দৃঢ়ীকৰণ হয়। উপনয়ন শব্দটি 'উপ' উপসৰ্গৰ সৈতে 'নী' ধাতুৰ যোগৰ পৰা নিষ্পন্ন হৈছে। "নীয়তে অনেন ইতি নয়নম্" অৰ্থাৎ এই সংস্কাৰৰ জৰিয়তে জ্ঞানৰূপী নেত্ৰৰ প্ৰস্ফোটন কৰোৱা হয়। উপনয়ন সংস্কাৰক যজ্ঞোপৱীত সংস্কাৰ বুলিও কোৱা হয়। যেতিয়ালৈকে শিশু এটি উপনীত নহয়, তেতিয়ালৈকে সি বেদাধ্যয়ন তথা নিয়মিত জ্ঞানোপাৰ্জন কৰাৰ অৰ্হতা লাভ নকৰে। "উপনয়নমানো ব্ৰহ্মচাৰিণম্।" (অথৰ্ববেদ, ১১.৫.৩)।

ব্ৰাহ্মণ বালকৰ অষ্টম বৰ্ষত, ক্ষত্ৰিয় বালকৰ একাদশ বৰ্ষত আৰু বৈশ্য বালকৰ দ্বাদশ বৰ্ষত উপনয়ন সংস্কাৰ সম্পন্ন কৰিব লাগে বুলি ধৰ্মশাস্ত্ৰসমূহত বিধান দিয়া হৈছে।

"গৰ্ভাষ্টমেऽব্দে কুৰ্বীত ব্ৰাহ্মণস্যোপনায়নম্।
র্ভাদেকাদশে ৰাজ্ঞো গৰ্ভাত্তু দ্বাদশে বিশঃ।।"

(মনুস্মৃতি, ২.৩৬)

উপনয়ন সংস্কাৰ সম্পন্ন কৰাৰ সময়ত নতুন সূতাৰে গঠা তিনিডাল সূতাৰ যজ্ঞোপবীত পৰিধান কৰায়। ব্ৰাহ্মণ বালকক কপাহৰ, ক্ষত্ৰিয় বালকক সনসূতাৰ আৰু বৈশ্য বালকক উণসূতাৰ যজ্ঞোপবীত পৰিধান কৰোৱায়। ইয়াৰ উপৰি উপনয়ন সংস্কাৰ হোৱা ব্ৰাহ্মণ বালকে বেলগছৰ, ক্ষত্ৰিয় বালকে বটগছৰ আৰু বৈশ্য বালকে ডম্বৰু গছৰ দণ্ড ধাৰণ কৰিব লাগে।

উপনয়নৰ পৰৱৰ্তী সময়তহে শিশুৱে গুৰুৰ আশ্ৰমত থাকিব লয়, গুৰুপ্ৰদত্ত জ্ঞানৰূপী পৰম তত্ত্বৰ সৈতে যুক্তমান হয়।

উপনীয় গুৰুঃ শিষ্যং মহাবাহুতিপুৰ্বকম্।
বেদমধ্যাপয়েদেনং শৌচাচাৰাংশ্চ শিক্ষয়েত্।।

(যাজ্ঞবল্ক্যস্মৃতি, ১.১৫)

যজ্ঞোপবীত সংস্কাৰবিধি পালনৰ দ্বাৰা শাৰীৰিক, মানসিক আৰু মস্তিষ্কৰ ক্ৰিয়া-কলাপৰ ওপৰত প্ৰভাৱকাৰী প্ৰতিক্ৰিয়াৰ লগতে সুন্দৰ সুস্বাস্থ্য গঠন হোৱাৰ লগতে ব্যক্তিত্বৰ নিৰ্মাণো হয়।

**১২। বেদাৰম্ভ সংস্কাৰ ঃ**

ধৰ্মশাস্ত্ৰৰ দ্বাৰা প্ৰতিপাদিত উপনয়ন সংস্কাৰৰ দ্বাৰা সংস্কৃত শিশুৱে মাতৃ-পিতৃ আৰু সমাজৰ পৰা আঁতৰি আহি গুৰুগৃহত বেদ অধ্যয়ন কৰিবলৈ লয়। গুৰুগৃহত নিয়ম অনুসৰি আচৰণ কৰাৰ লগতে সুনিশ্চিত দিনচৰ্যাৰ সৈতে আৱদ্ধ হৈ পৰে। জ্ঞানেই হৈছে এক বিশেষ তত্ত্ব যিয়ে মানুহক আন আন জীৱসমূহৰ পৰা পৃথকে ৰাখে। জ্ঞানাত্মক দৃষ্টিকোণৰ পৰা বেদাৰম্ভ হৈছে এক আদৰণীয় সংস্কাৰ, যাৰ দ্বাৰা ব্যক্তিবিশেষে এক নিৰ্দিষ্ট ব্যক্তিত্ব লাভ কৰে।

**১৩। সমাবৰ্তন ঃ**

শিক্ষা সমাপ্তিৰ পিছত ব্ৰহ্মচাৰী বালকৰ সমাবৰ্তন সংস্কাৰ সাধন হয়। সমাবৰ্তন শব্দৰ অৰ্থ হ'ল বেদাধ্যয়নৰ পিছত গুৰুগৃহৰ পৰা নিজ গৃহলৈ প্ৰত্যাৱৰ্তন — "তত্ৰ সমাবৰ্তনং নাম বেদাধ্যয়নান্তৰং গুৰুকুলাত্ স্বগৃহাগমনম্।"

(বীৰমিত্ৰোদয়, সংস্কাৰপ্ৰকাশ, ১ পৃ. ৫৬৪)

সমাবৰ্তন সংস্কাৰত অধ্যাপকে নিজৰ শিষ্যক নৈতিক মূল্যবোধৰ জ্ঞানেৰে জীৱনটো যাপন কৰিবলৈ শপত গ্ৰহণ কৰায়।

''सत्यं वद धर्मं चर स्वाध्यायात्मा प्रमदः।

आचारस्य प्रियं धनमाहृत्य प्रजातन्तुं मा व्यवच्छेत्सीः।।''

(তৈত্তিৰীয়উপনিষদ, ১১.২১-২২)

সত্যপথ অনুসৰণ, ত্যাগ, তপস্যা আদিৰ পালনৰ উপদেশ দিয়া হয়, যাতে গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰাৰ পিছত উচিত মাৰ্গ অনুসৰণ কৰি ব্যক্তিয়ে সমাজ তথা ৰাষ্ট্ৰৰ হিতসাধন কৰিব পাৰে। এই সংস্কাৰৰ জৰিয়তে দূৰদৃষ্টি, সংবেদনাৰ উদ্ভুত ভাৱনা, অনুশাসন আদিৰ বীজ ব্যক্তিবিশেষৰ মনত অংকুৰিত কৰোৱা হয়।

১৪। কেশান্ত ঃ

কেশান্ত সংস্কাৰ জনমানসত প্ৰচলিত যোড়শ সংস্কাৰৰ ভিতৰত এক অন্যতম সংস্কাৰ, যদিও সম্প্ৰীতি এইবিধ সংস্কাৰ অন্য সংস্কাৰৰ দৰে প্ৰসিদ্ধ নহয়। মনুস্মৃতি অনুসৰি শিশুটোৰ জন্মৰ ষোল্ল বছৰ বয়সত ব্ৰাহ্মণ বালকৰ, বাইছ বৰ্ষত ক্ষত্ৰিয় বালকৰ আৰু চৌব্বিশ বৰ্ষত বৈশ্য বালকৰ কেশান্ত সংস্কাৰ সম্পন্ন কৰিব লাগে।

''केशान्त षोडषे वर्षे ब्राह्मणस्य विधीयते।

राजन्यबन्धोर्द्वाविंशे वैशस्य द्वयधिकेततः।।''

(মনুস্মৃতি, ২.৬৫)

এই সংস্কাৰ সম্পাদন কৰাৰ সময়ত বালকৰ দাড়ি, মোচ, চুলি, নখ আদিৰ কৰ্তন কৰা হয়। শিষ্যৰ দ্বাৰা গুৰুক গোদান কৰা হয়। সামান্যতঃ ষোল্ল বছৰ বয়সত কিশোৰ অৱস্থাৰ সমাপ্তি ঘটে আৰু যুৱাবস্থাৰ আৰম্ভণি হয়। এই সংস্কাৰৰ অন্তৰ্গত কেশকৰ্তন আদি বিধিয়ে সৌভাগ্য, উৎসাহ, পৌষ্টিকতা তথা আয়ুসৰ সাধন বুলি সুশ্ৰুত সংহিতা, চৰক সংহিতা আদিত উল্লেখ কৰা আছে।

''पौष्टिकं वृष्यमायुष्यं शुचिरूपं विराजनम्।

केशश्मश्रुनखादीनां कर्त्तनं सम्प्रसाधनम्।।''

(চৰকসংহিতা, চিকিৎসাস্থান, ২৪.৭২)

কেশান্ত সংস্কাৰৰ অন্তৰ্গত এক বিধি হ'ল গোদান, যি বিধি দৃষ্টাদৃষ্টফলৰ লগত যুক্ত হৈ আছে। তদুপৰি কেশান্ত সংস্কাৰ অনুষ্ঠিত কৰাৰ পিছৰ এবছৰ ব্যক্তি কঠোৰ অনুশাসিত জীৱন অতিবাহিত কৰিব লাগে। যৌৱনজনিত যিকোনো শাৰীৰিক

আৰু মানসিক দোষৰ পৰা নিজকে ৰক্ষা কৰিবৰ বাবে কঠোৰ অনুশাসনময় জীৱন যাপন কৰিব লাগে বুলি এই সংস্কাৰে উপদেশ দিয়ে।

**১৫। বিবাহ সংস্কাৰ ঃ**

'বিবাহ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰ কৰিলে পোৱা যায় — "বিশেষেণ বাহ্যতে ইতি বিবাহ:।" যাৰ অৰ্থ বিশেষ ৰূপত বহন কৰা, সেয়াই হ'ল বিবাহ। ষোড়শ সংস্কাৰৰ ভিতৰত বিবাহৰ এক মহত্বপূৰ্ণ স্থান আছে, কিয়নো বিবাহ সমস্ত গৃহযজ্ঞ বা সংস্কাৰৰ উৎপত্তি কেন্দ্ৰ। ইয়াৰ উপৰি যিজন ব্যক্তিয়ে বিবাহ সংস্কাৰ সম্পন্ন নকৰি গাৰ্হস্থ্য জীৱনত প্ৰৱেশ নকৰে, তেওঁক অবজ্ঞীয় বা যজ্ঞহীন বোলা হয়।

"अयज्ञियो वा एष योऽपत्नीक:।"

(তৈত্তিৰীয়ব্ৰাহ্মণ, ২.২.২.৬)

ভাৰতীয় ধৰ্মশাস্ত্ৰত ৮ প্ৰকাৰৰ বিবাহৰ কথা কোৱা হৈছে। সেইসমূহ হ'ল — দৈৱবিবাহ, আৰ্ষবিবাহ, প্ৰজাপত্যবিবাহ, গন্ধৰ্ববিবাহ, আসুৰবিবাহ, ৰাক্ষসবিবাহ আৰু পৈশাচবিবাহ। সমাজ নিৰ্মাণত বিবাহ সংস্কাৰৰ এক প্ৰধান ভূমিকা আছে। ভাৰতীয় চিন্তাধাৰাত বিবাহ এক পাৰলৌকিক অস্তিত্ব বুলি স্বীকাৰ কৰা হয় আৰু সেয়েহে বিবাহ, জন্ম, মৰণ এই তিনিওটা নিয়তিকৃত নিয়মৰ অধীন বুলি স্বীকাৰ কৰা হয়।

**১৬। অন্ত্যেষ্টি সংস্কাৰ ঃ**

এই সংস্কাৰ হিন্দু ধৰ্মত পালন কৰা সংস্কাৰসমূহৰ ভিতৰত অন্তিম সংস্কাৰ। অন্ত্যেষ্টি সংস্কাৰৰ বাবে সাধাৰণতে দাহ ক্ৰিয়াই অধিক প্ৰচলিত, কিন্তু কিছু ক্ষেত্ৰত জলসমাধি বা ভূমি সমাধিৰো উল্লেখ পোৱা যায়। মৃত্যুৰ পিছত শ্মশানত দাহক্ৰিয়া সম্পন্ন কৰা হয়। পাৰস্কৰগৃহ্যসূত্ৰ অনুসৰি দাহক্ৰিয়াৰ পিছত মৃতকৰ অস্থি অৱশেষত গংগা নদীত বিসৰ্জন কৰিলে পুণ্য হয় বুলি কোৱা হয়।

"गंगातोये च यस्यास्थि प्लवते शुभकर्मण:।<br>
न तस्य पुनरावृत्त्रिर्ब्रह्मलोकात् कदाचन।।<br>
गंगातोये च यस्यास्थि नीत्वा सङ्क्षिप्यते नरै:।<br>
युगानान्तु सहस्राणि तस्य स्वर्गे भवेद् गति:।।"

আকৌ দাহক্ৰিয়া সম্পাদনৰ পিছত স্নানকাৰ্য কৰাৰ বিধান দিয়া হৈছে।